بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)ৰ ১৬ চেপ্তেম্বৰ ২০২২ চনত মছজিদ মোবাৰক, ইছলামাবাদ (বৃটেইন)ত প্ৰদান কৰা খোতবা জুমাৰ সাৰাংশ**

**আঁ-হজৰত (ছাঃ)ৰ খলিফা ৰাশেদ ছৈয়দিনা হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ৰ জীৱন প্ৰণালী আৰু প্ৰশংসনীয় গুণাৱলীৰ ঈমান বৰ্দ্ধক ঘটনা সমূহৰ বৰ্ণনা।**

أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ اَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰہِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ۔ اَلۡحَمۡدُ لِلّٰہِ رَبِّ الۡعٰلَمِیۡنَ۔ الرَّحۡمٰنِ الرَّحِیۡمِ۔ مٰلِکِ یَوۡمِ الدِّیۡنِ۔ اِیَّاکَ نَعۡبُدُ وَاِیَّاکَ نَسۡتَعِیۡنُ۔ اِہۡدِنَا الصِّرَاطَ الۡمُسۡتَقِیۡمَ۔ صِرَاطَ الَّذِیۡنَ اَنۡعَمۡتَ عَلَیۡہِمۡ ۬ۙ غَیۡرِ الۡمَغۡضُوۡبِ عَلَیۡہِمۡ وَلَا الضَّآلِّیۡنَ۔

তাছাহুদ তাউয আৰু চুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে হজৰত আবু বক্কৰ (ৰাঃ)ৰ খিলাফৎ কালত সংঘটিত হোৱা ঘটনাৱলী সম্পৰ্কে বৰ্ণনা চলি আছিল। উক্ত বৰ্ণনাৰ ধাৰাবাহিকতাত জিম্মি সকলৰ অধিকাৰ সম্পৰ্কে কিছুমান বৰ্ণনা উল্লেখ আছে। জিম্মি সেই লোক সকলক কোৱা হয় যিসকলে ইছলামী শাসনৰ অধীনত থাকি নিজৰ ধৰ্মত অটুট থাকি ৰীতি-নীতি পালন কৰিব পাৰে; আৰু মুছলমান সকলে সিহঁতৰ ৰক্ষণা-বেক্ষণ আৰু নিৰাপত্তাৰ দায়িত্ব লয়। জিম্মি সকলে ফৌজি খিদমত আৰু জাকাত আদায়ৰ পৰা মুক্ত আছিল। গতিকে জিম্মি সকলৰ ডেকা আৰু সুস্থ কৰ্মঠ লোক সকলৰ পৰা বছৰি চাৰি দেৰহামকৈ জিজিয়া লোৱা হৈছিল। বুঢ়া অকামিলা, নিঃসহায় আৰু ল'ৰা-ছোৱালী সকল জিজিয়া দিয়াৰ পৰা মুক্ত আছিল যদিও দুৰ্বল,অক্ষম লোক সকলক ইছলামী বায়তুল মালৰ পৰা সহায় আগবঢ়োৱা হৈছিল। ইৰাক আৰু ছিৰিয়া বিজয়ৰ সময়ত কেইবাটাও অমুছলিম সম্প্ৰদায়ে জিজিয়া দিবলৈ মান্তি হৈ জিম্মি হৈ পৰিছিল। এওঁলোকৰ সৈতে যি চুক্তি স্বাক্ষৰিত হৈছিল তাত এই চৰ্তবোৰ চামিল কৰা হৈছিল যে সিহঁতৰ খানাকা,আৰু গীৰ্জা ধ্বংস কৰা নহ'ব আৰু তেওঁলোকৰ এনেকুৱা কোনো দুৰ্গ ভাঙি পেলোৱা নহ'ব য'ত তেওঁলোকে প্ৰয়োজন সাপেক্ষে শত্ৰুৰ মোকাবিলা কৰিবলৈ আশ্ৰয় ল'ব পাৰে। পাৰ্বন আদিত শিঙা বজোৱা, ক্ৰছ উলিওৱা আদিত বাধা দিয়া নহ'ব।

হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ৰ খিলাফৎ কালত এটা মহান কাম কোৰাণ কৰিম জমা কৰিছিল; ইয়ামামাৰ যুদ্ধত প্ৰায় সাত শ কোৰাণ কৰিমৰ হাফিজ চাহাবা শ্বহীদ হয়, তেতিয়া আল্লাহ

তা’লাই হজৰত উমৰ (ৰাঃ)ৰ মনত জমা কোৰাণ সম্পৰ্কে এক ধাৰণা উন্মুক্ত কৰি দিয়ে। ছহী বোখাৰী চৰিফত থকা বৰ্ণনা অনুযায়ী ইয়ামামাৰ যুদ্ধৰ পিছত হজৰত জায়েদ বিন ছাবিত (ৰাঃ)ক মতাই আনি হজৰত আবু বক্কৰ (ৰাঃ)য়ে কয় যে হজৰত উমৰ (ৰাঃ)য়ে জমা কোৰাণ সম্পৰ্কে পৰামৰ্শ দিছে। গতিকে এই কাম সম্পন্ন কৰাৰ দায়িত্ব তোমাৰ ওপৰত ন্যস্ত কৰা হ’ল। হজৰত জায়েদ বিন ছাবিত (ৰাঃ)য়ে কৈছে যে আল্লাহৰ শপত ! যদি হজৰত আবু বক্কৰ (ৰাঃ) য়ে এখন পাহাৰক স্থানান্তৰ কৰি বেলেগ এখন ঠাইলৈ লৈ যোৱাৰ আদেশ দিলে হয় তেন্তে সেয়াই মোৰ বাবে এই কামতকৈ সহজ হ’ল হয়। হজৰত জায়েদ বিন ছাবিত (ৰাঃ)য়ে কৈছে যে মই কোৰাণ খনক খেজুৰৰ ডাল, বগা পাথৰ আৰু মানুহৰ হৃদয়ৰ পৰা সংগ্ৰহ কৰি কৰি এঠাইত জমা কৰিছোঁ হজৰত আবু বক্কৰ (ৰাঃ)য়ে হজৰত জায়েদ বিন ছাবিত (ৰাঃ)ৰ জৰিয়তে যিখন কোৰাণ এটা খণ্ডত প্ৰস্তুত কৰোৱাইছিল, তাক চহিফা ছিদ্দিক বুলি কোৱা হয়। এইখন কোৰাণ কৰিম প্ৰথমে হজৰত আবু বক্কৰ (ৰাঃ), আকৌ হজৰত উমৰ (ৰাঃ) আৰু পিছত গৈ উম্মুল মোমিনিন হজৰত হাফছা (ৰাঃ) বিনতে উমৰ (ৰাঃ)ৰ ওচৰত আছিল। হজৰত উচমান (ৰাঃ)য়ে চহিফা ছিদ্দিকৰ পৰা কিছুমান আৰ্হি নকল কৰি লৈ মূল আৰ্হি হজৰত হাফচা (ৰাঃ)ক ঘূৰাই দিয়ে। যেতিয়া ৫৪ হিজৰীত মাৰোৱান মদিনাৰ গভৰ্ণৰ হৈছিল তেতিয়া তেওঁ এই কোৰাণৰ কপিখন হজৰত হাফচা (ৰাঃ)ৰ পৰা লৈ ল’ব বিচাৰে যদিও হজৰত হাফচা (ৰাঃ)য়ে সেয়া দিবলৈ অস্বীকাৰ কৰিছিল। হজৰত হাফচা (ৰাঃ)ৰ মৃত্যুৰ পিছত মাৰোৱানে এই এটা খণ্ডৰ কোৰাণখন হজৰত আব্দুল্লাহ বিন উমৰ (ৰাঃ)ৰ পৰা লৈ আনি সেয়া নষ্ট অৰ্থাৎ বেয়া কৰি পেলায়।

হজৰত আলি (ৰাঃ)য়ে কৈছে যে আল্লাহ তা’লা হজৰত আবু বক্কৰ (ৰাঃ)ৰ ওপৰত ৰহমত নাযিল কৰক, তেখেতে সৰ্বপ্ৰথম কোৰাণ কৰিম কিতাপ আকাৰে সংৰক্ষিত কৰিছিল।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে সত্য কথা হ’ল এয়া যে জগতত কোনো লিখনি এনেদৰে ধাৰাবাহিক ভাৱে সংৰক্ষিত নাই যেনেদৰে কোৰাণ কৰিম আছে। কৈছে যে হুজুৰ পাক (ছাঃ)ৰ সময়ত গোটেই খিনি কোৰাণ লিখা হৈ গৈছিল। কিন্তু সেয়া এটা খণ্ডত অন্তৰ্ভুক্ত নাছিল। গতিকে হজৰত আবু বক্কৰ (ৰাঃ)য়ে কোৰাণ কৰিম জমা কৰাৰ আদেশ দিছিল কিন্তু লিখিবলৈ আদেশ দিয়া নাছিল। এয়া কোৰাণ কৰিমৰ শব্দ গাথনিয়ে প্ৰমাণ দিয়ে যে সেই সময়ত কোৰাণ কৰিমৰ পৃষ্ঠাবোৰ এঠাইত জমা কৰাৰ প্ৰয়োজন আছিল, লিখাৰ কোনো প্ৰয়োজন নাছিল। হজৰত উচমান (ৰাঃ)ৰ খিলাফৎ কালত গোটা বিশ্বৰ মুছলমান সকলক এটা কিৰায়তৰ ওপৰত জমা কৰা হৈছিল। হজৰত আকদছ মছীহ মাওউদ (আঃ)য়ে কৈছে যে প্ৰথম খলিফা হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)য়ে কোৰাণ কৰিমৰ গোটেই কেইটা চুৰা নবী কৰিম (ছাঃ)ৰ পৰা শুনা তৰতিব মতে জমা কৰিবলৈ যত্ন কৰিছিল। হজৰত আবু বক্কৰ (ৰাঃ)ৰ পিছত আল্লাহ তা’লা তৃতীয় খলিফা হজৰত উচমান (ৰাঃ)ক কুৰাইছী ব্যাকাৰণ অনুযায়ী কোৰাণ কৰিমক এক কিৰায়তত জমা কৰাৰ তৌফিক দান কৰে। হজৰত

উচমান (ৰাঃ)য়ে এটা কিৰায়তৰ কোৰাণ সকলো দেশতেই প্ৰচাৰ কৰি দিয়ে।

হজৰত আবু বক্কৰ (ৰাঃ)ৰ ব্যক্তিত্বৰ সৈতে সম্পৰ্কিত প্ৰথম কাৰ্যাৱলীক, অৰ্থাৎ যিবিলাক কাম সম্পূৰ্ণ হৈ উঠিছিল তাক উৰবালিয়াতে আবু বক্কৰ বুলি কোৱা হয়। যেনে তেখেত (ৰাঃ)য়ে সৰ্বপ্ৰথম ইছলাম গ্ৰহণ কৰিছিল, মক্কাত নিজৰ ঘৰৰ সন্মুখত মছজিদ সজাই তুলিছিল। মক্কাত থাকোতে তেখেত (ৰাঃ)য়ে সৰ্বপ্ৰথম হুজুৰ (ছাঃ)ৰ সহায় কৰিবলৈ কাফিৰে মক্কাৰ সৈতে কাজিয়া কৰিছিল। এখেত (ৰাঃ)য়ে ইছলাম গ্ৰহণ কৰি অত্যাচাৰৰ বলি হোৱা কেইবাজনও দাস-দাসীক কাফিৰ সকলৰ হাতৰ পৰা মুক্ত কৰি স্বাধীন কৰি দিছিল। সৰ্ব প্ৰথমে কোৰাণ কৰিমক এটা খণ্ডত জমা কৰোৱাইছিল। এখেত (ৰাঃ)য়ে প্ৰথমে কোৰাণৰ নাম চহিফা ৰাখিছিল। সৰ্ব প্ৰথম খলিফা ৰাশেদ হিচাপে আখ্যায়িত হৈছে। ৰছুলুল্লাহ (ছাঃ)ৰ জীৱন কালতেই এখেত (ৰাঃ)য়ে আমিৰে হজ্ব নিযুক্ত হৈছিল আৰু মুছলমান সকলক নামাজ পঢ়োৱাৰ ইমামতী কৰিছিল। ইছলামত বায়তুল মাল প্ৰথাৰ উদ্ভাৱন কৰিছিল। এখেত (ৰাঃ) ইছলামৰ প্ৰথম খলিফা হোৱাৰ পিছত মুছলমান সকলে এখেত (ৰাঃ)ৰ প্ৰতি এটা ইছলামৰ অজিফা নিৰ্ধাৰণ কৰিছিল। এনেদৰে এখেত (ৰাঃ)য়েই আছিল প্ৰথমজন খলিফা যিজনে নিজৰ খিলাফতৰ উত্তৰাধিকাৰী নিৰ্বাচিত কৰি গৈছিল। এখেত (ৰাঃ)য়েই আছিল প্ৰথম জন খলিফা যাৰ বয়াতে খিলাফতৰ সময়ত তেখেতৰ পিতৃ জীৱিত আছিল। ইছলামত এখেত (ৰাঃ)য়েই আছিল প্ৰথমজন ব্যক্তি যাক ৰছুলুল্লাহ (ছাঃ)য়ে কোনো উপাধি প্ৰদান কৰিছিল। হজৰত আবু বক্কৰ (ৰাঃ)য়েই প্ৰথম ব্যক্তি যাৰ চাৰি পুৰুষে চাহাবিয়তৰ সন্মান লাভ কৰিছে, এখেত (ৰাঃ)ৰ পিতৃ চাহাবী হজৰত আবু কাহাফা, হজৰত আবু বক্কৰ (ৰাঃ) নিজে, এখেতৰ পুত্ৰ হজৰত আব্দুৰ ৰহমান বিন আবু বক্কৰ আৰু তেখেতৰ নাতি ল’ৰা হজৰত মহম্মদ বিন আব্দুৰ ৰহমান, এওঁলোক সকলোৱেই চাহাবা আছিল।

হজৰত আবু বক্কৰ (ৰাঃ)ৰ চেহেৰা সম্পৰ্কে হজৰত আয়শা (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে তেখেত (ৰাঃ)ৰ গাৰ ৰং আছিল বগা আৰু তেখেত ক্ষীণকায় আকাৰৰ লোক আছিল। গালৰ হণুত মাংস কম আৰু চকুযুৰি ভিতৰ সোমোৱা আছিল আৰু কপালখিনি টান আছিল। হজৰত আনাছ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে তেখেত (ৰাঃ)য়ে নিজৰ চুলিত ৰঙ হানি লোৱা কৰিছিল। এদিনাখন হজৰত আবু বক্কৰ (ৰাঃ)য়ে এটা চৰাইক চাই কৈছিল যে হায় ! মই যদি এই চৰাইটোৰ দৰে হলো হয়, তাৰ না কোনো হিচাব হ’ব, না তাৰ কোনো উত্তৰ দিব লাগিব।

হজৰত আবু বক্কৰ (ৰাঃ)য়ে মৃত্যুৰ সময়ত হজৰত আয়শা (ৰাঃ)ক কৈছিল হে মোৰ জীয়ৰী! তুমি জানা যে সকলোৰে মাজত তুমি মোৰ ওচৰত বেছি মৰমৰ। মই অমুক জাগাত থকা মোৰ জমিন খিনি তোমাক দিছিলো; কিন্তু তুমি সেয়া দখল কৰি লোৱা নাই। এতিয়া মই বিচাৰো যে তুমি সেই ঠাইখিনি ঘূৰাই দিয়া যাতে সেয়া মোৰ সকলো সন্তানৰ মাজত আল্লাহৰ কিতাপত উল্লেখিত নিয়ম অনুযায়ী ভগাই দিব পাৰো আৰু খোদা তা’লাৰ ওচৰত যেন ক’ব পাৰো যে মই নিজৰ সন্তান সকলৰ

মাজত কাকো আন এজনৰ ওপৰত প্ৰাধান্য দিয়া নাই।

যেতিয়া খিলাফতৰ অলংকাৰ আল্লাহ তা'লা হজৰত আবু বক্কৰ (ৰাঃ)ক পিন্ধাই দিয়ে, তাৰ পিছদিনাখন নিতৌ কৰা কামৰ দৰে কাপোৰৰ থান কান্ধত লৈ ব্যৱসায়ৰ নিমিত্তে ওলাই পৰে। বাটতে হজৰত আবু উবেয়দা (ৰাঃ) আৰু হজৰত উমৰ (ৰাঃ)ৰ লগত সাক্ষাৎ হয় এওঁলোকে কোৱা মতে হজৰত ছিদ্দিক আকবৰ (ৰাঃ)ৰ বাবে অজিফা (বাট্টা) নিৰ্ধাৰণ কৰা হয়। সেই অজিফা অনুসৰি তেখেত (ৰাঃ)য়ে দুখন চাদৰ পাইছিল আৰু সেইবোৰ যেতিয়া পুৰণি হৈছিল তেতিয়া ওভতাই দি বেলেগ চাদৰ লৈ লৈছিল। ভ্ৰমণৰ বাবে বাহন লাভ কৰিছিল আৰু খিলাফতৰ আগত যেনেদৰে খৰচ কৰিছিল সেই অনুপাতে খৰচ লাভ কৰিছিল।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে হজৰত আবু বক্কৰ (ৰাঃ) বিশ্বব্যাপি ইছলামৰ বাদছাহ আছিল। কিন্তু তেখেত কি লাভ কৰিছিল, ৰাইজৰ ধনৰ ওপৰত নিৰ্ভৰশীল আছিল। কিন্তু নিজে সেই ধন কেতিয়াও খৰচ কৰা নাছিল। তেখেত (ৰাঃ)ৰ হাতৰ পৰা কেতিয়াবা উটনীৰ লেকাম সৰকি পৰিলে, নিজে উটৰ পিঠিৰ পৰা নামি আহি তুলি লৈছিল। এই বিষয়ে সুধিলে উত্তৰ দিছিল যে মোক মোৰ প্ৰিয় সখায় আদেশ দিছিল যে মানুহক প্ৰশ্ন নকৰিবা। অৰ্থাৎ লোকৰ পৰা একো নিবিচাৰিবা।

হুজুৰ পাক (ছাঃ)য়ে মানুহক এয়া কওঁতে শুনিছিল যে হজৰত আবু বক্কৰ (ৰাঃ)আমাৰ ওপৰত কি ফজিলত আছে ? যেনেকৈ নামাজ, ৰোজা আমি কৰো তেনেকৈ তেখেতও নামাজ পঢ়ে, ৰোজা ৰাখে, হুজুৰ (ছাঃ)য়ে কৈছে হজৰত আবু বক্কৰ (ৰাঃ)ৰ ফজিলত নামাজ,ৰোজাৰ বাবে নহয়, বৰং তাৰ নেকিৰ বাবেহে যি তেখেতৰ অন্তৰত আছিল।

হজৰত মছীহ মাওউদ (আঃ)য়ে কোৰাণ কৰিমৰ এটা আয়াতৰ তফছিৰ কৰোঁতে কৈছে হজৰত আবু বক্কৰ (ৰাঃ)ৰ স্থান আৰু মৰ্যাদা সম্পৰ্কে আল্লাহ তা'লা ইয়াতে কৈছে যে তুমি ইবাদত কৰি থাকা যেতিয়ালৈকে তোমাৰ বিশ্বাস সম্পূৰ্ণতা নাপায় আৰু সকলো আঁৰ কাপোৰ আৰু এন্ধাৰৰ পৰ্দা আঁতৰি গৈ এয়া বোধশক্তি জন্ম নহয় যে এতিয়া আৰু মই সেয়া নহয় যি আগতে আছিলো,বৰং এতিয়া নতুন জগত, নতুন দেশ, নৱ জমিন,নৱ আচমান পাইছো আৰু মই কিবা নতুন জীৱ হৈ পৰিছো। এয়াই হ'ল হায়াতে ছানি যাক চুফি সকলে বকা নামেৰে আখ্যায়িত কৰে। যেতিয়া মানৱে এই স্তৰত আহি উপস্থিত হয় তেতিয়া আল্লাহ তা'লাৰ ৰূহানি আলোক তাৰ ভিতৰত প্ৰজ্বলিত হয়। তাৰ ওপৰত ফিৰিস্তা অৱতীৰ্ণ হয়। এয়াই হ'ল এই ৰহস্য ! যিটো আঁ-হজৰত (ছাঃ)য়ে হজৰত আবু বক্কৰ (ৰাঃ)ৰ বিষয়ে কৈছে যে যদি কোনোবায় বিচাৰে যে মৃত শৰীৰ এটা জমিনৰ ওপৰত ফুৰোতে দেখিব, তেন্তে তেওঁ আবু বক্কৰ (ৰাঃ)ক চাওঁক আৰু আবু বক্কৰ (ৰাঃ)ৰ এই স্থান তাৰ বাহিৰা বা বাহ্যিক আমলৰ ফল নহয়

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে এবাৰ আঁ-হজৰত (ছাঃ)য়ে কৈছে যে যাৰ (লুংগী) অধিক তললৈ নমাই পিন্ধা থাকিব তেওঁ জাহান্নামত যাব। হজৰত আবু বক্কৰ (ৰাঃ)য়ে এই কথা শুনি কান্দি পেলাইছিল কাৰণ তেখেতৰ পিন্ধনৰ লুংগী তেনেকুৱাই আছিল। তেতিয়া আঁ-হজৰত (ছাঃ)য়ে

কৈছিল তুমি সেই সকলৰ মাজত নহয়। কাৰণ নিয়তৰ বৰ প্ৰধান্যতা আছে, হৃদয়ঙ্গম কৰাই আচল বস্তু।

আঁ-হজৰত (ছাঃ)ৰ প্ৰতি পূৰ্ণ আনুগত্য, ভালপোৱা ৰছুল আৰু আবেগপূৰ্ণ ঘটনা এটা এনেদৰে আছে যে এবাৰ হজৰত আবু বক্কৰ (ৰাঃ)য়ে ৰছুলুল্লাহ (ছাঃ)ৰ ঘৰলৈ আহে, তেতিয়া হজৰত আয়শা (ৰাঃ)য়ে হুজুৰ (ছাঃ)ক টান টান কথা শুনাই আছিল। এই অৱস্থা চাই হজৰত আবু বক্কৰ (ৰাঃ)য়ে নিজৰ জীয়েকক মাৰিবলৈ উদ্যত হয়। তেতিয়া আঁ-হজৰত (ছাঃ)য়ে আহি বাপ-বেটীৰ মাজত থিয় হয় আৰু হজৰত আয়শা (ৰাঃ)ক প্ৰহাৰৰ পৰা বচাই লয়। যেতিয়া হজৰত আবু বক্কৰ (ৰাঃ)য়ে তাৰ পৰা গুচি আহে তেতিয়া আঁ-হজৰত (ছাঃ)য়ে ধেমালিৰে হজৰত আয়শা (ৰাঃ)ক কৈছিল যে দেখিলা ! আজি মই তোমাক তোমাৰ দেউতাৰ পৰা কেনেকৈ বচালো। কিছুদিন পিছত হজৰত আবু বক্কৰ (ৰাঃ)য়ে আকৌ ৰছুলুল্লাহ (ছাঃ)ৰ ঘৰলৈ আহে তেতিয়া হজৰত আয়শা (ৰাঃ)য়ে আনন্দ মনেৰে হুজুৰ (ছাঃ)ৰ সৈতে কথা পাতি আছিল। এই দৃশ্য চাই হজৰত আবু বক্কৰ (ৰাঃ)য়ে কৈছিল, তুমি মোক তোমালোকৰ কাজিয়াত ভাগ ল'বলৈ দিছিলা, আজি তোমালোকৰ আনন্দৰ ভাগ ল'বলৈ দিয়া। এই কথা শুনি আঁ-হজৰত (ছাঃ)য়ে কৈছিল যে হয় আমি আপোনাক অংশীদাৰ বনালো।

খোতবা জুমাৰ শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে বৰ্ণনাৰ বাকী অংশ ইনশা আল্লাহ আগলৈ বৰ্ণনা কৰা হ'ব। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِىَ لَهُ وَنَشْهَدُ أَنْ لَآ اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَاللّٰه رحمكم الله اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْىِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZOOR ANWAR aba 16 SEP 2022**

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844